**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-02-2026 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***

## ***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজ্যসভাত ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত হোৱা বিতৰ্কৰ উত্তৰ দিব।

২। লোকসভাত আজি ধ্বনি ভোটৰ জৰিয়তে ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ গ্ৰহণ কৰা হয়।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা ১৪ ফেব্ৰুৱাৰীত কেইবাটাও কাৰ্যসূচীৰে অসমলৈ আহিব।

৪। ৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত ছাৰ্ভিচেছে ৰে'লৱেক ২-০ গ'লত পৰাস্ত কৰে।

আৰু

৫। মহিলা প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত আজি দিল্লী কেপিটেলচ ৰয়েল চেলেঞ্জাৰ্চ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ৰাজ্যসভাত ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত হোৱা বিতৰ্কৰ উত্তৰ দিব বুলি সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজুৱে প্ৰকাশ কৰিছে। উচ্চ সদনত বিৰোধী পক্ষৰ নেতা মল্লিকাৰ্জুন খাৰ্গেই উত্থাপন কৰা অভিযোগৰ উত্তৰ দি শ্ৰী ৰিজিজুৱে কয়, যে সকলো সাংসদে প্ৰধানমন্ত্ৰীৰ ভাষণ শুনিব বিচাৰে কিন্তু কংগ্ৰেছ দলে প্ৰধানমন্ত্ৰীৰ বক্তব্য শুনিব নিবিচাৰে আৰু এয়া তেওঁলোকৰ নিজস্ব কথা।

বাইট (ৰিজিজু)

লোকসভাত বিৰোধী পক্ষৰ নেতা ৰাহুল গান্ধীয়ে দেশৰ স্বাৰ্থৰ হকে ক'ব বিচাৰে যদিও তেওঁক ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত ক'বলৈ দিয়া হোৱা নাই বুলি শ্ৰী খাৰ্গে উত্থাপন কৰা অভিযোগ শ্ৰী ৰিজিজুৱে খণ্ডন কৰে। তেওঁ কয়, যে শ্ৰী গান্ধীয়ে সংসদীয় নীতি-নিয়ম অনুসৰণ কৰা নাছিল আৰু সাংসদগৰাকীয়ে নিয়ম ভংগ কৰি বক্তব্য ৰাখিছিল।

মল্লিকাৰ্জুন খাৰ্গেই কয়, যে ৰাজ্যসভাই একমাত্ৰ সদন নহয় বৰং ৰাজ্যসভা আৰু লোকসভাক একেলগেহে সংসদ বুলি কোৱা হয়। সদনৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী জে পি নাড্ডাইও শ্ৰী খাৰ্গেৰ বক্তব্যৰ বিৰোধিতা কৰে। তেওঁ কয়, যে লোকসভাৰ সৈতে জড়িত বিষয় লৈ ৰাজ্যসভাত আলোচনা কৰিব পৰা নাযায়। শ্ৰী নাড্ডাই লগতে কয়, যে প্ৰধানমন্ত্ৰী মোদী নেতৃত্বাধীন চৰকাৰ যিকোনো বিষয় লৈ সদনত আলোচনা কৰিবলৈ সদায়ে সাজু যদিও বিৰোধী পক্ষৰ সদস্যসকলে লোকসভাৰ কাম-কাজ বিঘ্নিত কৰি

আহিছে। কেন্দ্ৰীয় মন্ত্ৰী পীযুষ গোৱেলে বিৰোধী পক্ষই বিচৰা ধৰণে ভাৰত-আমেৰিকা যুক্তৰাষ্ট্ৰৰ মাজত বাণিজ্যিক চুক্তি সন্দৰ্ভত বিবৃতি দিয়া বুলিও তেওঁ মন্তব্য কৰে।

০০০০০০০০০

লোকসভাত আজি ধবনি ভোটৰ জৰিয়তে সংসদৰ যুটীয়া সদনক উদ্দেশ্যি যোৱা ২৮ জানুৱাৰীত ৰাষ্ট্ৰপতিয়ে দিয়া ভাষণৰ ধন্যবাদ সূচক প্ৰস্তাৱ গ্ৰহণ কৰা হয়। কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ সাংসদ সৰ্বানন্দ সোনোৱালে উত্থাপন কৰা এই প্ৰস্তাৱ বিজেপিৰ সাংসদ তেজস্বী সুৰয়াই সমৰ্থন কৰে। প্ৰথমবাৰ স্থগিত ৰখাৰ পাছত দুপৰীয়া ১২ বজাত সদন পুনৰ মিলিত হোৱাৰ সময়ত লোকসভাৰ অধ্যক্ষ ওম বিৰলাই ৰাষ্ট্ৰপতিৰ ভাষণৰ ধন্যবাদ সূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা আৰম্ভ কৰে। শ্ৰীবিৰলাই এই ধন্যবাদ সূচক প্ৰস্তাৱক লৈ বিৰোধী পক্ষৰ কেইবাগৰাকী সদস্যই উত্থাপন কৰা সংশোধনীৰ সন্দৰ্ভত ভোটদানৰ বাবে আহ্বান জনায় যদিও সদনে বিষয়টোক অস্বীকাৰ কৰে। বিৰোধী সাংসদসকলে সৃষ্টি কৰা হুলস্থুলীয়া পৰিস্থিতিৰ মাজতে লোকসভাত ধন্যবাদ সূচক প্ৰস্তাৱ গ্ৰহণ কৰা হয়। শ্ৰীবিৰলাই কয় যে নিম্ন সদনত এতিয়া ২০২৬-২৭ বৰ্ষৰ কেন্দ্ৰীয় বাজেট সন্দৰ্ভত আলোচনা অনুষ্ঠিত হ'ব আৰু প্ৰতিজন সদস্যই কথা কোৱাৰ সুযোগ লাভ কৰিব। ইয়াৰ পাছতো বিৰোধী পক্ষৰ সাংসদসকলে হুলস্থুলীয়া পৰিস্থিতি অব্যাহত ৰখাত অধ্যক্ষই সদনৰ কাম-কাজ দিনৰ ২ বজালৈ স্থগিত ঘোষণা কৰে।

ইয়াৰ পূৰ্বে দিনৰ ১১ বজাত প্ৰথমবাৰৰ বাবে সদন মিলিত হোৱাৰ সময়ত অধ্যক্ষ ওম বিৰলাই বিৰোধী পক্ষৰ সদস্যসকলৰ  আচৰণক লৈ উদ্বেগ প্ৰকাশ কৰি তেওঁলোকক সদনৰ  নিয়ম-শৃংখলা মানি চলিবলৈ অনুৰোধ জনায়। অধ্যক্ষগৰাকীয়ে বিৰোধী সদস্যসকলৰ আচৰণ সদনৰ মৰ্য্যাদাৰ পৰিপন্থী বুলি উল্লেখ কৰে। তেওঁ লগতে সদনৰ নিয়ম-শৃংখলা মানি চলাটো সকলো সদস্যৰে দায়িত্ব বুলি উল্লেখ কৰে। সদনৰ মৰ্য্যাদা বজাই নাৰাখিলে যিকোনো অধ্যক্ষৰ বাবে সদনৰ কাম-কাজ সুচাৰু ৰূপে চলাই নিয়াটো অসুবিধাজনক বুলি শ্ৰীবিৰলাই প্ৰকাশ কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী অহা ১৪ ফেব্ৰুৱাৰীত কেইবাটাও  উদ্দেশ্য লৈ অসমলৈ আহিব। শ্ৰী মোদীয়ে প্ৰথমে গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী কুমাৰ ভাস্কৰ বৰ্মা সেতু উদ্বোধন কৰিব। তাৰ পাছত প্ৰধানমন্ত্ৰীগৰাকীয়ে পলাশবাৰীত ভাৰতীয় ব্যৱস্থাপনা প্ৰতিষ্ঠান - আই আই এমৰ অস্থায়ী চৌহদৰ শুভাৰম্ভ কৰিব। তেওঁ লগতে গুৱাহাটী মহানগৰীৰ বাবে ১০০ খন বৈদ্যুতিক বাছ মুকলি কৰিব। গুৱাহাটীৰ পৰা প্ৰধানমন্ত্ৰীগৰাকী ডিব্ৰুগড় জিলাৰ মৰাণলৈ যাব। তাত তেওঁ সুৰক্ষা আৰু জৰুৰীকালীন ব্যৱস্থাপনাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে মৰাণত নিৰ্মিত জৰুৰীকালীন বিমান অৱতৰণ ৰান্‌ৱে ই এল এফ, আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব। মৰাণৰ চাৰিলেনযুক্ত ৰাষ্ট্ৰীয় ঘাইপথৰ ৰচী পথাৰলৈকে ৪ দশমিক ২ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথছোৱাত এই অত্যাধুনিক ৰান্‌ৱে নিৰ্মাণ কৰা হৈছে। যুদ্ধকালীন পৰিস্থিতি, প্ৰাকৃতিক দুৰ্যোগ বা জৰুৰী অৱস্থাত এই ৰাষ্ট্ৰীয় ঘাইপথ নিমিষতে বিমান বন্দৰলৈ ৰূপান্তৰিত কৰিব পৰা যাব। উদ্বোধনীৰ পাছতে মৰাণৰ আকাশত বায়ুসেনাৰ শক্তিশালী যুঁজাৰু বিমানসমূহে উৰণ কৌশল প্ৰদৰ্শন কৰিব। ৰাফেল, ছুখয়, মিগ্, তেজস, হাৰ্কিউলিচ আৰু এ এন থাৰ্টি টু বিমানৰ উৰণ-অৱতৰণেৰে সামৰিক কৌশল প্ৰদৰ্শন কৰা হ'ব।

০০০০০০০

পাঁচ দিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ অহা চিছিলিৰ ৰাষ্ট্ৰপতি ড০ পেট্ৰিক হাৰ্মিনিয়ে আজি চেন্নাইত চিমচ্ হাস্পাতাল আৰু বালাজী দন্ত চিকিৎসালয় পৰিদৰ্শন কৰে। সপত্নীক ভাৰতলৈ অহা ৰাষ্ট্ৰপতিগৰাকী আজি নিশাটো চেন্নাইত কটাব। তেওঁ কাইলৈ কৰ্ণাটকৰ ৰাজ্যপাল আৰ এন ৰবিক সাক্ষাৎ কৰিব। ইয়াৰ পাছত তেওঁ ৭ ফেব্ৰুৱাৰীত মুম্বাইলৈ আহিব আৰু মহাৰাষ্ট্ৰৰ ৰাজ্যপাল আচাৰ্য দেৱব্ৰতক সাক্ষাৎ কৰিব। এই ভ্ৰমণকালত ড০ হাৰ্মিনিয়ে ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে দ্বিপাক্ষীক আলোচনাতো মিলিত হ'ব। ভাৰত-চিছিলিৰ কূটনৈটিক সম্পৰ্কই ৫০ বছৰ সম্পূৰ্ণ কৰাৰ সময়তে ৰাষ্ট্ৰপতিগৰাকীৰ এই ভ্ৰমণে বিশেষ গুৰুত্ব বহন কৰিছে।

০০০০০০০০০

ভাৰত টেক্সিয়ে জনসাধাৰণক সহযোগিতাৰে ঐক্যবদ্ধ হ'বলৈ আৰু ক্ষুদ্ৰ পুঁজিৰে বৃহৎ আৰম্ভণি কৰাৰ বাবে মঞ্চ প্ৰদান কৰিব বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে। শ্ৰী শ্বাহে আজি সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে ভাৰত টেক্সিৰ জৰিয়তে জনসাধাৰণে অকল লাভ অৰ্জন কৰিবলৈ সমৰ্থ হোৱাই নহয়, বৰং মৰ্যাদাৰে সৈতে ইয়াৰ স্বত্বাধিকাৰীও হ'ব পাৰিব। ভাৰাগাড়ীৰ চালকসকলৰ বাবে আজিৰ দিনটো গুৰুত্বপূৰ্ণ বুলি অভিহিত কৰি শ্ৰী শ্বাহে কয়, যে সমবায় খণ্ডৰ প্ৰথম টেক্সি সেৱা ভাৰত টেক্সিৰ শুভাৰম্ভ আজি দিল্লীৰ পৰা কৰা হ'ব। এই অনুষ্ঠানত অংশগ্ৰহণ কৰিবলৈ আগ্ৰহী বুলি শ্ৰী শ্বাহে মন্তব্য কৰে।

০০০০০০০০০

ছত্তিশগড়ৰ বিজাপুৰ জিলাত আজি পুৱা সুৰক্ষা বাহিনীৰ সৈতে হোৱা সংঘৰ্ষত এজন মাওবাদী নিহত হয়। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে অঞ্চলটোত সশস্ত্ৰ মাওবাদীৰ এটা দলে আত্মগোপন কৰি থকা বুলি লাভ কৰা সম্ভেদৰ ভিত্তিত জিলাখনৰ দক্ষিণ প্ৰান্তত সুৰক্ষা বাহিনীৰ এটা যৌথ দলে চলোৱা অভিযানত এই মাওবাদীজন নিহত হয়। অঞ্চলটোত আজি পুৱাৰেপৰা সুৰক্ষা বাহিনী আৰু মাওবাদীৰ মাজত চেগা-চোৰোকাকৈ গুলীয়াগুলী চলি আছে। বৰ্তমানলৈকে সংঘৰ্ষস্থলীৰ পৰা এ কে ফৰ্টি ছেভেন ৰাইফলসহ এজন মাওবাদীৰ মৃতদেহ উদ্ধাৰ কৰা হৈছে। অঞ্চলটোত সুৰক্ষা বাহিনীৰ তালাচী অভিযান অব্যাহত আছে।

০০০০০০০০০

মাদক দ্ৰব্য নিয়ন্ত্ৰণ ব্যুৰ'ৰ সঞ্চালকপ্ৰধান অনুৰাগ গাৰ্গে আজি মণিপুৰৰ সীমামূৰীয়া ম'ৰেহ জিলাৰ এটা বেচৰকাৰী সংস্থাৰ দ্বাৰা পৰিচালিত নিচা মুক্তি কেন্দ্ৰ পৰিদৰ্শন কৰে। ভ্ৰমণকালত সঞ্চালকপ্ৰধানগৰাকীয়ে কেন্দ্ৰটোৰ কৰ্মচাৰীসকলৰ সৈতে মত বিনিময় কৰে আৰু মাদকদ্ৰব্যৰ আসক্তিৰ পৰা মুক্ত কৰাৰ বাবে চলোৱা প্ৰচেষ্টাৰ শলাগ লয়। তেওঁ লগতে কৰ্মচাৰীসকলক মাদক দ্ৰব্য আৰু আসক্তিৰ বিৰুদ্ধে সজাগতা সৃষ্টি কৰিবলৈ আহ্বান জনায়। শ্ৰী গাৰ্গে চহৰখনত মাদক দ্ৰব্যৰ সৰবৰাহ ৰোধ কৰাৰ বাবে লোৱা ব্যৱস্থাৰো পৰ্যালোচনা চলায়।

০০০০০০০০০

ধেমাজি জিলাৰ চিলাপথাৰ আৰু ঢকুৱাখনাত অনুষ্ঠিত ৭৯ সংখ্যক সন্তোষ ট্ৰফী ৰাষ্ট্ৰীয় ফুটবল প্ৰতিযোগিতাৰ প্ৰথমখন ছেমি ফাইনেলত ছাৰ্ভিচেছে আজি ৰে'লৱেক ২-০ গ'লত পৰাস্ত কৰে। খেলখনত চাৰ্ভিচেছৰ হৈ অভিষেক পাৱাৰে দুয়োটা গ'ল কৰে।

ইপিনে, ঢকুৱাখনাত অনুষ্ঠিত দ্বিতীয়খন ছেমি ফাইনেলত যোৱাবাৰৰ বিজিত কেৰালা-পাঞ্জাৱৰ বিৰুদ্ধে অৱতীৰ্ণ হৈছে।

উল্লেখযোগ্য যে সন্তোষ ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ ইতিহাসত পাঞ্জাৱ দলটো ৮ বাৰকৈ চূড়ান্ত বিজয়ী আৰু বিজিত দল হিচাপে পৰিগণিত হোৱাৰ বিপৰীতে কেৰালা দলে ৭ বাৰ বিজয়ী আৰু ৯ বাৰ বিজিতৰ সন্মান লাভ কৰিছে। একেদৰে ছাৰ্ভিচেছ দলটো ৭ বাৰ বিজয়ী, ৫ বাৰ বিজিত আৰু ৰে'লৱে দলে ৩ বাৰ বিজয়ী আৰু ৬ বাৰ বিজিত হোৱাৰ সন্মান অৰ্জন কৰিছে।

0000000

মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাত আজি বদোদৰাৰ বি চি এ ষ্টেডিয়ামত হবলগীয়া ফাইনেলত দিল্লী কেপিটেলছ ৰয়েল চেলেঞ্জাৰছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ’ব। খেলখন সন্ধিয়া চাৰে সাত বজাত আৰম্ভ হ'ব। ৰয়েল চেলেঞ্জাৰছ বেংগালুৰু দলটোৱে এইবাৰ দ্বিতীয়বাৰৰ বাবে মহিলাৰ প্ৰিমিয়াৰ লীগ ক্ৰিকেট প্ৰতিযোগিতাৰ খিতাপ দখলৰ সুযোগ লাভ কৰিছে। ইয়াৰ বিপৰীতে একেৰাহে চতুৰ্থবাৰ ফাইনেলত প্ৰৱেশ কৰা দিল্লী কেপিটেলচ প্ৰথমবাৰৰ বাবে খিতাপ দখলৰ লক্ষ্যৰে আজিৰ খেলখনত অৱতীৰ্ণ হ’ব। এইবেলি ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদ বি চি চি আইয়ে প্ৰতিযোগিতাৰ বাবে ১০ কোটি টকাৰ পুৰস্কাৰৰ ঘোষণা কৰিছে।

0000000

আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ প্ৰাক্তন হিন্দী বাতৰি পৰিবেশিকা ৰবিন্দৰ সবৰৱালৰ আজি পুৱা দেহাৱসান ঘটে। দীৰ্ঘদিন ধৰি অসুস্থ হৈ থকা সবৰৱালে নতুন দিল্লীৰ বাতৰি সেৱা বিভাগত ১৯৮৫ চনৰ পৰা ২০১২ চনলৈ নিয়মীয়া বাতৰি পৰিবেশক আৰু অনুবাদক হিচাপে সেৱা আগবঢ়াইছিল।

000000000

সমাপ্ত